(২০১০) ১ এচ. চি. আৰ. ৫৭২

A অমৰজিত সিং

বনাম

হাৰিয়ানা ৰাজ্য চৰকাৰ

ফৌজদাৰী আপীল নং ৭৩৯/২০০৭

B নবেম্বৰ ১৮, ২০০৯

**[ন্যায়াধীশ হৰজিত সিং বেদী আৰু ন্যায়াধীশ ড° বি. এস. চৌহান]**

দণ্ড বিধি, ১৮৬০

C ধাৰা ৩০২- হত্যা - দোষীসাব্যস্তকৰণ – এগৰাকী দোষীৰ গম্ভীৰ আঘাতপ্ৰাপ্তি –অভিযোগকাৰী পক্ষ বাখ্যাৰ পৰা বিৰত – মত প্ৰকাশ কৰা হ'ল - যদিও সকলোবিলাক আঘাতৰ বিষয়ে বাখ্যা কৰাটো আবশ্যকীয় নহয়, যেতিয়া দোষীয়ে প্ৰতিৰক্ষাৰ বাবে প্ৰাৰ্থনা কৰে, তেনে ক্ষেত্ৰত গভীৰ আঘাতৰ উপস্থিতি সম্পৰ্কে বাখ্যা কৰাটো অভিযোগকাৰী পক্ষৰ দায়িত্বৰ ভিতৰত পৰে – এই

D মোকৰ্দমাটোত যিহেতু অভিযোগকাৰী পক্ষই কেনেদৰে দোষীয়ে আঘাত পাইছিল সেই বিষয়ে বাখ্যা আগবঢ়াব পৰা নাই আৰু ইয়াৰ বিপৰীতে তেওঁৰ উপস্থিতিটো অস্বীকাৰ কৰিছে , বিচাৰ আদালতে অভিযোগকাৰী পক্ষৰ মোকৰ্দমাৰ গুৰুতৰ দুৰ্বলতাটো মনোযোগ নিদিয়াটো ভুল হৈছে- দোষীৰ

E দোষী-সাব্যস্তকৰণ আৰু শাস্তি ৰদ কৰা হ'ল- দোষীক দোষৰ পৰা মুক্ত কৰা হ'ল- সাক্ষ্য- দোষীৰ প্ৰাপ্ত আঘাত- অভিযোগকাৰী পক্ষ বাখ্যাৰ পৰা বিৰত- ফলাফল।

ফৌজদাৰী আপীল ক্ষেত্ৰাধিকাৰ : ফৌজদাৰী আপীল নং ৭৩৯/২০০৭

F পাঞ্জাৱ আৰু হাৰিয়ানা উচ্চ ন্যায়ালয় , চন্দীগড়ৰ ফৌজদাৰী আপীল নং ৪৬-দি.বি./২০০৪ ত ২০/৭/২০০৬ তাৰিখে প্ৰদান কৰা ৰায় আৰু আদেশৰ পৰা

G লগতে

ফৌজদাৰী আপীল ন্ং ৭৪০/২০০৭

আৰ. এচ. চীমা, কে. বি. সিনহা, কনৱালজিত কোচৰ, কুচুম চৌধাৰী

---

H ৬/২/২০১০- ৰায় প্ৰদানৰ তাৰিখ

অমৰজিত সিং বনাম হাৰিয়ানা ৰাজ্য

ডি. পি. সিং, তনু, ৰুপাংশ পুৰুহিত, ৰাজীব গৌৰ, 'নাসিম', কমল মোহন গুপ্তা উপস্থিত পক্ষৰ হৈ।

আদালতৰ দ্বাৰা নিম্নলিখিত আদেশ প্ৰদান কৰা হ'ল।

## আদেশ (Order)

১।বিষেশ অনুমতি প্ৰাপ্তিৰ দ্বাৰা দাখিল কৰা এই আপীল নিম্নোক্ত তথ্যসমূহৰ ভিত্তিত উত্থাপিত হৈছে:

১.১। অভিযুক্ত অৱতাৰ সিঙে , যাক ইতিমধ্যে ৰেহাই দিয়া হৈছে, বেআইনী ভাবে বিদ্যুতৰ মূল তাঁৰৰ পৰা এটা সংযোগ লৈছিল অসন্ধ (Assandh) আৰক্ষী থানাৰ পৰা ১২ কিলোমিটাৰ দুৰত অৱস্থিত বাসি ( Bassi) গাওঁত থকা তেওঁৰ দমকলত বিদ্যুত শক্তি সংযোগ কৰিবলৈ। ১৯৯৮ চনৰ জুলাই মাহৰ ২ তাৰিখে কিছু স্ংখ্যক আৰক্ষী বিষয়া আৰু বিদ্যুত বিভাগৰ লোক দমকলটোলৈ আহি বেআইনী ভাবে লোৱা সংযোগ বিচ্চিন্ন কৰি দিয়ে আৰু তাঁৰদাল লৈ যায়। অৱতাৰ সিঙে এই সংক্ৰান্তত গোচৰীয়া পক্ষৰ ১ নম্বৰ সাক্ষী যোগিন্দৰ সিঙক সন্দেহ কৰে, যাৰ নাতিদূৰত এটা অল্পকালিন নিৰাস ( Dera) আছে, যে তেওঁ সেই বিভাগত অভিযোগ দিছে বাবেই সেই বিভাগৰ বিষয়া সকল তেওঁৰ নিবাসত আহি উপস্থিত হ'ল। সেই বিদ্বেষ ভাবৰ বাবে, এটা বন্দুকৰ সৈতে অমৰ্ জিত সিং, অমৰিক সিং আৰু কাস্মীৰ সিং সকলোৱেই জাৰ্নেল সিঙৰ পুত্ৰ , পথাৰলৈ চলাই লৈ গৈ থকা গোচৰীয়া পক্ষৰ ১ নম্বৰ সাক্ষী যোগিন্দৰ সিঙৰ সাৰ ভৰ্তি ট্ৰেক্টৰ ট্ৰলী এখন ৰখাবলৈ চেষ্টা কৰে। গোচৰীয়া পক্ষৰ ৩ নম্বৰ সাক্ষী অৰ্থাৎ মোহিন্দৰ সিঙৰ পুত্ৰ নিশান সিঙে যোগিন্দৰ সিঙৰ ট্ৰেক্টৰ ট্ৰলীখন চলাই আহিছিল , লগত আছিল যোগিন্দৰ সিঙৰ শস্যৰ অংশীদাৰ ফকিৰিয়াৰ পুত্ৰ পালাৰাম (গোচৰীয়া পক্ষৰ ২ নম্বৰ সাক্ষী)। এইটো দেখা গৈছে যে এই ঘটনাৰ পৰিপ্ৰেক্ষিতত অসন্ধ ( Assandh) আৰক্ষী থানাত দুয়ো পক্ষই ইটোৱে সিটোৰ বিপক্ষে ৰাতিপূৱা কৰা বেয়া ব্যৱহাৰৰ বাবে দুখন আবেদন দাখিল কৰে। সেই দিনা সন্ধিয়া 8 মান বজাত সাক্ষী যোগিন্দৰ সিং আৰু তেওঁৰ ভায়েক মৃত গুৰনাম সিং তেওঁলোকৰ পথাৰত থকা অল্পকালিন নিৰাসত উপস্থিত আছিল। সেই সময়ত অৱতাৰ

সিং এখন সোতা ( Sota) লগত লৈ, শেৰ সিং আৰু অমৰজিত সিং দুয়ো DBBL বন্দুক সহ আৰু অৰতাৰ সিং এখন গন্দাচা (Gandasa) সৈতে এখন ট্ৰেক্টৰত তালৈ আহে। অল্পকালিন নিৰাসত উপস্থিত হৈ শেৰ সিঙে যোগিন্দৰ সিঙৰ ওপৰত DBBL বন্দুকৰে এটা গুলী চালনা কৰে যিটোৱে তেওঁৰ সোঁহাতৰ আঙুলীত আঘাত কৰে আৰু দ্বিতীয় গুলীটোৱে তেওঁৰ সোঁ কৰঙনত আঘাত কৰে।

অমৰজিত সিঙেও গুৰনাম সিঙৰ ওপৰত এটা গুলীচালনা কৰে যিটোৱে তেঁওৰ বুকুত আঘাত কৰে আৰু ফলস্বৰূপে লগে লগে তেওঁৰ মৃত্যু হয়। ইয়াৰ পাচত যোগিন্দৰ সিঙে বন্দুকটো শেৰ সিঙৰ হাতৰ পৰা কাঢ়ি লোৱাৰ প্ৰয়াস কৰিছিল যাৰ ফলস্বৰূপে সেইটো দুটুকুৰা হৈ ভাঙি যায়। এই ঘটনাটো গোচৰীয়া পক্ষৰ ২ নম্বৰ সাক্ষী পালাৰাম আৰু গোচৰীয়া পক্ষৰ ৩ নম্বৰ সাক্ষী নিশান সিঙে প্ৰত্যক্ষ কৰিছিল৷ যোগিন্দৰ সিঙক এখন ট্ৰেক্টৰ ট্ৰলীৰে অসন্ধৰ সন্ত হাস্পতাললৈ লৈ যোৱা হৈছিল আৰু তেওঁৰ গুৰুতৰ আঘাটৰ প্ৰতি লক্ষ্য ৰাখি তেওঁক জেনেৰেল হাস্পতাল, কৰনাললৈ স্থানান্তৰিত কৰা হৈছিল। কিন্তু গুৰনাম সিঙৰ মৃত শৰীৰটো ঘটনাস্থলীতেই থাকে। ১৯৯৮ চনৰ ৪ জুলাই তাৰিখে ৰাতিপুৱা ৯-১৫ বজাত জেনেৰেল হাস্পতাল, কৰনালত যোগিন্দৰ সিঙৰ জবানবন্দী প্ৰদৰ্শক P.A. গ্ৰহণ কৰা হয় আৰু তাৰ ভিত্তিত গোচৰীয়া পক্ষৰ ৫ নম্বৰ সাক্ষী আৰক্ষী পৰিদৰ্শক সুবে সিঙে ৰাতিপুৱা ১০:৩০ বজাত এখন নিয়ম মাফিক F.I.R. পঞ্জীয়ন কৰে। আচামীৰ প্ৰাৰ্থনা যে মিছা কথাৰ ভিত্তিত তেওঁলোকৰ ওপৰত গোচৰ ৰুজু কৰা হৈছে, তাৰ ভিত্তিত আৰক্ষীয়ে তদন্তৰ অন্তত আচামীৰ বিৰুদ্ধে অভিযোগপত্ৰ দাখিল নকৰিলে৷ ইয়াৰ পাছত যোগিন্দৰ সিঙে ১৯৯৮ চনৰ ১৬ জুলাই তাৰিখে কৰনালৰ ন্যায়িক দণ্ডাধীশৰ আদলতত ভাৰতীয় দণ্ড বিধিৰ ৩০২/৩০৭/১৪৮/১৪৭ ধাৰাৰ অধীনত অৰতাৰ সিং , শেৰ সিং, অমৰজিত সিং, অমৰিক সিং আৰু কাস্মীৰ সিঙৰ বিৰুদ্ধে অভিযোগ প্ৰদৰ্শক ( Exhibit) P.C. দাখিল কৰে। বিচাৰৰ সময়ত অভিযোগকাৰী পক্ষই আঘাতপ্ৰাপ্ত সাক্ষী গোচৰীয়া পক্ষৰ ১ নম্বৰ সাক্ষী যোগিন্দৰ সিং, গোচৰীয়া পক্ষৰ ২ নম্বৰ সাক্ষী পালাৰাম, গোচৰীয়া পক্ষৰ ৩ নম্বৰ সাক্ষী নিশান সিং, যিয়ে অভিযোগকাৰীৰ সহযোগী, গোচৰীয়া পক্ষৰ ৪ নম্বৰ সাক্ষী ড° ৰাজ কুমাৰ, গোচৰীয়া পক্ষৰ ৫ নম্বৰ সাক্ষী ৰাম কুমাৰ, ড° শ্যাম বাধৰা, যিয়ে যোগিন্দৰ সিংৰ স্বাস্থ্য পৰীক্ষা কৰিছিল, গোচৰীয়া পক্ষৰ ৭ নম্বৰ সাক্ষী নবীন কুমাৰ আৰু গোচৰীয়া পক্ষৰ ৮ নম্বৰ সাক্ষী এচ. কে. মক্কৰৰ সাক্ষ্যৰ ওপৰত নিৰ্ভৰ কৰিছিল। প্ৰতিপক্ষও ড ° ৰাজ কুমাৰৰ লগতে (আগতে গোচৰীয়া পক্ষৰ ৪ নম্বৰ সাক্ষী, বৰ্তমান প্ৰতিপক্ষৰ ১ নম্বৰ সাক্ষী হিচাবে) তেওঁলোকৰ পক্ষত ৭ জন সাক্ষীৰ ওপৰত নিৰ্ভৰ কৰে য'ত কোৱা হৈছিল যে ১৯৯৮ চনৰ ৪ জুলাই তাৰিখে গধুলী ৬:৪৫ বজাত অসন্ধৰ প্ৰাথমিক চিকিৎসা কেন্দ্ৰত গুৰলাল সিঙক পৰীক্ষা কৰিছিল আৰু তেওঁৰ দাতঁৰ পাৰি ভঙা আৰু দাঁত স্থানচ্যুত হোৱাৰ লগতে গুৰুতৰ আঘাত প্ৰত্যক্ষ কৰিছিল, প্ৰতিপক্ষৰ ২ নম্বৰ সাক্ষী চাহেব সিং শেৰ সিঙৰ অনুপস্থিতি প্ৰমান কৰিবলৈ, প্ৰতিপযক্ষৰ ৩ নম্বৰ সাক্ষী সহকাৰী উপ পৰিদৰ্শক সুৰজিত সিং যিয়ে ৰাতিপুৱা ঘটনাৰ পাচত দণ্ড কৰি থকা দুইপক্ষই দাখিল কৰা দুখন

আবেদনৰ বিষয়ে বক্তব্য দিছিল , প্ৰতিপক্ষৰ ৫ নম্বৰ সাক্ষী আৰক্ষী পৰিদৰ্শক প্ৰেম সিং যিয়ে হত্যাকাণ্ডৰ তদন্ত কৰিছিল আৰু সাক্ষ্য দিছিল যে তদন্তত পোৱা মতে ঘটনাতো মিছা আৰু সেয়ে অভিযুক্তৰ বিপক্ষে চালান দাখিল কৰা ন'হল, যি সকলে অভিযোগ দাখিলৰ বাবে বৰ্তমান বিচাৰাধীন হৈ আছে আৰু প্ৰতিপক্ষৰ ৬ নম্বৰ আঘাতপ্ৰাপ্ত সাক্ষী গুৰলাল সিঙে সাক্ষ্য দিছিল যে তেওঁ কিছুমান অভিযুক্তৰ লগত ৩ জুলাই ১৯৯৫ চনত আবেলি ৩ বজালৈ আৰক্ষী থানাত উপস্থিত আছিল কিন্তু তেওঁৰ দেউতাকে কোৱাত দেউতাকৰ বন্দুকটো লগত লৈ পোহনীয়া জন্তু বোৰ চাবলৈ ঘৰলৈ ঘুৰি আহে আৰু যেতিয়া তেওঁ তেওঁলোকৰ অল্পকালীন নিবাসলৈ গৈ আছিল , তেতিয়া তেওঁ যোগিন্দৰ সিং আৰু গুৰনাম সিঙক লাঠি লৈ বাহিৰত ৰৈ থকা দেখে আৰু যেতিয়া তেওঁ ট্ৰেক্টৰৰ পৰা নামে তেতিয়া তেওঁক তেওঁলোকে মাৰপিট কৰে যাৰ ফলত তেওঁৰ দাঁত আৰু দাতঁৰ পাৰি ভাঙি যায় আৰু সেই সময়ত তেওঁ ট্ৰেক্টৰৰ পৰা বন্দুকটো লয় আৰু গুৰনাম সিং আৰু যোগিন্দৰ সিঙৰ ওপৰত নিজৰ সুৰক্ষাৰ বাবে গুলীচালনা কৰে। তেওঁ আৰু কয় যে তেওঁ আঘাতপ্ৰাপ্ত হোৱা স্বত্বেও যোগিন্দৰ সিঙে লাঠিচালনা কৰি বন্দুকটো দুটুকুৰা কৰি দিয়ে। তেওঁ আৰু কয় যে ঘটনাৰ পাচত তেওঁ তেওঁৰ ট্ৰেক্টৰেৰে অসন্ধ আৰক্ষী থানাত উপস্থিত হয় আৰু ঘটনাটো সম্পৰ্কে আৰক্ষীক খবৰ দিয়ে আৰু তেওঁক তেতিয়া প্ৰাথমিক চিকিৎসা কেন্দ্ৰলৈ স্বাস্থ্য পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হয়। তেওঁ আৰু ব্যক্ত কৰে যে তেওঁক কৰনাল জেনেৰেল হাস্পাতালৈ প্ৰেৰণ কৰা হয় আৰু তাৰ পাচত ৰোহতকৰ চিকিৎসা বিদ্যা আৰু গবেষণাৰ স্নাতকোত্তৰ প্ৰতিস্থানলৈ প্ৰেৰণ কৰা হয় তেওঁৰ গভীৰ আঘাতৰ বাবে। প্ৰতিপক্ষই ৮ নম্বৰ সাক্ষী হিচাবে ড ° মুনিষ মদন , ৰোহতকৰ চিকিৎসা বিদ্যা আৰু গবেষণাৰ স্নাতকোত্তৰ প্ৰতিস্থানৰ দন্ত মহাবিদ্যালয়ৰ এগৰাকী অধ্যাপকৰ সাক্ষ্য গ্ৰহণ কৰে যিয়ে গুৰলাল সিঙৰ দাঁত আৰু দাতঁৰ পাৰি গভীৰ আঘাতৰ কথাত নিশ্চিতি প্ৰদান কৰে আৰু তেওঁ ২ মাহ মান সময় তেওঁক চিকিৎসা প্ৰদান কৰাৰ কথা প্ৰকাশ কৰে।

১.২ বিচাৰ আদালতে গোচৰীয়া পক্ষৰ ১, ২ আৰু ৩ নম্বৰ সাক্ষীৰ সাক্ষ্যত ভৰসা কৰি অভিযুক্ত সকলক ৩০২/১৪৯ ধাৰাৰ অধীনত দোষী-সাব্যস্ত কৰি হত্যাৰ বাবে আজীৱন কাৰাদণ্ডৰ শাস্তি ঘোষণা কৰে। বিচাৰ আদালতে সিদ্ধান্ত লয় যে অভিযোগকাৰী পক্ষৰ অভিযোগ তথ্য আৰু সমলৰ ভিত্তিত ওপৰত প্ৰতিস্থিত হৈছে, কিন্তু প্ৰতিপক্ষৰ গুৰলাল সিঙৰ বক্তব্য এই বাবেই বিশ্বাস কৰিব নোৱাৰি আৰু এটা সঠিক সিদ্ধান্তলৈ আহিব নোৱাৰি যে যোগিন্দৰ সিং , গুৰনাম সিং আৰু গুৰলাল সিং সেই একেটা ঘটনাতেই আঘাতপ্ৰাপ্ত হৈছিল আৰু প্ৰতিপক্ষৰ অভিযোগ যে গুৰলাল সিঙে নিজৰ সুৰক্ষাৰ বাবে দুটা গুলী ফুটাই যাৰ বাবে গুৰনাম সিঙে প্ৰাণঘাটক আঘাত পাই আৰু যোগিন্দৰ সিঙে গভীৰ আঘাট পায় , বিশ্বাসযোগ্য নহয় কাৰণ গুৰলাল সিং এজন শাৰীৰিকভাৱে অক্ষম মানুহ আৰু সেইবাবে তেওঁ যথাযথভাৱে অস্ত্ৰৰ ব্যৱহাৰ কৰিব পৰা অৱস্থাৰ নহয়। বিচাৰ আদালতে সিদ্ধান্ত লয় যে তেওঁ

ব্যৱহাৰ কৰা বন্দুকটো বিপৰীতপক্ষৰ নেৰানেপেৰা আক্ৰমণত ভাঙি গৈছিল , কথাষাৰ বিশ্বাসযোগ্য নহয় এইবাবেই যে তেওঁ পোৱা আঘাত ইমানেই গুৰুতৰ আছিল যে তাৰ পাচত তেওঁ যোগিন্দৰ সিং আৰু গুৰনাম সিঙক আঘাত কৰিব পৰাটো সম্ভৱ নহয়। বিচাৰ আদালতে শেৰ সিঙৰ অনুপস্থিতিৰ কথাটো অগ্ৰাহ্য কৰিছে এই কাৰণে যে এই সংক্ৰান্ত সাক্ষীটো নিৰ্ণয়াত্মক নহয় আৰু এইটো সম্ভৱ যে শেৰ সিঙে অপৰাধ সংঘটিত কৰি ১৭ কিলোমিটাৰ দুৰৰ ঘান্নাৰিত থকা তেওঁৰ চাকৰিৰ ঠাইলৈ গুচি গৈছিল। বিচাৰ আদালতে সেইমতে অভিযোগকাৰী পক্ষৰ কথাখিনি সম্পুৰ্ণৰূপে গ্ৰহণ কৰিছে।

১.৩ ইয়াৰ পাচত বিষয়টো লৈ উচ্চ ন্যায়ালয়ত সকলো অভিযুক্তই আপীল কৰে। উচ্চ ন্যায়ালয়ে এই বিষয়ত বিচাৰ আদালতৰ নিৰ্ণয়টো সম্পূৰ্ণৰূপে ওলোটাই দি এটা মহত্বপূৰ্ণ পৰ্যবেক্ষণ আগবঢ়ায় আৰু যদিও বিচাৰ আদালতে হত্যাৰ ঠাইডোখৰত গুৰলাল সিঙৰ উপস্থিতি তথা যি ধৰণে তেওঁ আঘাতপ্ৰাপ্ত হৈছিল সেই বিষয়ে সন্দেহ প্ৰকাশ কৰে, উচ্চ ন্যায়ালয়ে এই বিষয়টোত এটা নিৰ্ণয়াত্মক নিশ্চিতি প্ৰদান কৰে যে গুৰলাল সিং ঘটনাস্থলীত উপস্থিত আছিল আৰু যিটো ঘটনাত গুৰনাম সিঙৰ মৃত্যু হৈছিল সেই ঘটনাত তেওঁ আঘাতপ্ৰাপ্ত হৈছিল। যি কি নহওঁক উচ্চ ন্যায়ালয়ে গোচৰীয়া  পক্ষৰ ১, ২ আৰু ৩ নম্বৰ সাক্ষীৰ সাক্ষ্যখিনি গ্ৰহণ কৰে আৰু প্ৰতিপক্ষই কোৱা অস্ত্ৰ ভঙা বিষয়টো সম্পৰ্কত পৰিস্থিতিগত সাক্ষ্য অগ্ৰাহ্য কৰে আৰু পৰ্যবেক্ষণ কৰে যে এনেকুৱা ঘটনাত মিছাকৈ গোচৰত সাঙুৰি লোৱা বিষয়টো নুই কৰিব নোৱাৰি। আদালতে সাক্ষ্য সমূহ পুনৰ সুক্ষ্মভাবে বিশ্লেষণ কৰে আৰু মত প্ৰকাশ কৰে যে অৱতাৰ সিং, অমৰিক সিং আৰু কাস্মীৰ সিঙৰ উপস্থিতিটো অগ্ৰাহ্য কৰিব পাৰি কিন্তু অমৰজিত সিং আৰু শেৰ্ সিং কোনো সন্দেহ নথকাকৈ তাত উপস্থিত আছিল কাৰণ তেওঁলোকেই গুৰনাম সিং আৰু যোগিন্দৰ সিঙক অঘাতপ্ৰাপ্ত কৰিছিল। আপীলটো প্ৰথম তিনিজনৰ সপক্ষে    মঞ্জুৰ কৰা হয় আৰু পিছৰ দুজনৰ ক্ষেত্ৰত বাতিল কৰা হয়। সেই বাবেই এই অৱস্থাত এই আপীলটো আমাৰ সন্মুখত বিশেষ অনুমতি    প্ৰাপ্তিৰ দ্বাৰা উপস্থাপিত হৈছে।

২. আপীলকাৰী পক্ষৰ ফালৰ পৰা বিজ্ঞ জ্যেষ্ঠ অধিবক্তা শ্ৰী    যুত আৰ. এচ. চীমা আৰু শ্ৰীযুত কে. বি. সিনহাই বিভিন্ন যুক্তি প্ৰদৰ্শন কৰে। এইটো যুক্তি দিয়া    হৈছে যে ২ জুলাই তাৰিখে ৰাতিপুৱা কিছু ঘটনা ঘটিছিল বুলি প্ৰদৰ্শক (Exhibit) DE আৰু DD অৰ্থাৎ আৰক্ষী থানাত দণ্ডত লিপ্ত হোৱা দুই পক্ষই দিয়া দুখন আবেদনৰ পৰা স্পষ্ট হৈছে। এইটোও কোৱা হৈছে যে প্ৰতিপক্ষৰ ৫ নম্বৰ সাক্ষী পৰিদৰ্শক প্ৰেম সিঙে কৰা তদন্তত অমৰজিত সিং গধূলি আৰক্ষী থানাত উপাস্থিত আছিল বুলি প্ৰমানিত হৈছে আৰু সেই ভিত্তিতেই    গোচৰীয়া  পক্ষই অভিযুক্তৰ

বিৰূদ্ধে চালান দাখিল কৰাৰ পৰা বিৰত থাকে। তদুপৰি এই কথাটো উত্থাপিত কৰা হয় যে ইয়াৰ কোনো কাৰণ নাছিল যে কিয় অভিযুক্ত শেৰ সিঙৰ অনুপস্থিতিৰ বিষয়টো PSEB কাৰ্যালয়, য'ত তেওঁ কাম কৰি আছিল আৰু পৰিয়ালৰ সৈতে বাস কৰি আছিল , তাৰ একাংশ কৰ্মচাৰীয়ে সমৰ্থন কৰিছিল , কথাতো বিশ্বাস কৰা নাছিল কাৰণ তেওঁ ঘটনাৰ দিনা ৰাতিপুৱা ৭:৩০ বজাত আৰু পুনৰ সেইদিনা আবেলি ৩:৩০ বজাত তাত উপস্থিত আছিল আৰু তেওঁৰ বাবে এইটো অসম্ভব যে সেই সময়ছোৱাৰ ভিতৰতেই তেওঁ বাচি গাওঁলৈ আহি হত্যাকাণ্ড সংঘটিত কৰিলে আৰু ১৭ কিলোমিটাৰ দুৰত থকা তেওঁৰ চাকৰি কৰা ঠাই ঘান্নৰীলৈ উভতি গ 'ল। শেষত এইতো উপস্থাপন কৰা হ'ল যে কোনো ক্ষেত্ৰতে গুৰলাল সিঙে পোৱা আঘাত সম্পৰ্কত বাখ্যা দিয়া ন 'হল আৰু যিহেতু অভিযোগকাৰী পক্ষই এই গুৰুত্বপূৰ্ণ দিশটো সম্বোধন কৰা নাছিল, সেইবাবে সফলভাৱে এই অনুমান কৰিব পাৰি যে প্ৰতিপক্ষৰ বক্তব্যখিনি শুদ্ধ। শেষৰ নিবেদনৰ বাবে শ্ৰীযুত চীমাই লক্ষ্মী সিং বনাম বিহাৰ ৰাজ্য (১৯৭৬) ৪ এস. চি. চি. ৩৯৪ ৰায়টোৰ ওপৰত নিৰ্ভৰ কৰে।

৩. শ্ৰী যুত ৰূপাংশ পুৰোহিত , ৰাজ্য চৰকাৰৰ বিজ্ঞ অধিবক্তাই , যি কি নহওক , আঙুলিয়াই দিয়ে যে অভিযোগকাৰী পক্ষৰ তিনিজন সাক্ষীৰ সাক্ষ্য অবিশ্বাস কৰাৰ কোনো কাৰণ নাই বিশেষভাবে এই কাৰণেই যে যোগিন্দৰ সিং ঘটনাটোত আঘাতপ্ৰাপ্ত হৈছিল আৰু গোচৰীয়া পক্ষৰ ২ নম্বৰ সাক্ষী পালাৰাম এজন স্বতন্ত্ৰ সাক্ষী আছিল। তেওঁ অতিৰিক্তভাৱে দাখিল কৰে যে যিটো ঘটনাত গুৰনাম সিঙৰ হত্যা হৈছিল আৰু যোগিন্দৰ সিং আঘাতপ্ৰাপ্ত হৈছিল সেই একেটা ঘটনাত গুৰলাল সিং আঘাতপ্ৰাপ্ত হোৱাৰ কোনো ধৰণৰ প্ৰমাণ নাই কাৰণ এই কথাটোৰ সত্যতা প্ৰমান কৰিবলৈ কোনোধৰনৰ সমকালীন সমল নাই আৰু ১৯৯৮ চনৰ ৩ জুলাইৰ গধুলী অসন্ধ পোৱাৰ পাচত গুৰলাল সিঙে আৰক্ষীৰ আগত ঘটনাৰ কোনো ধৰণৰ বৰ্ণনা দিয়াৰ পৰা বিৰত আছিল। ইয়াৰ পাচত বক্তব্য ৰখা হয় যে গুৰলাল সিং এজন শাৰীৰিকভাবে অক্ষম মানুহ আৰু তেওঁ নিজৰ জবাবত কোৱাৰ দৰেই দুটা গুলী ফুটোৱাতো তেওঁৰ পক্ষে অসম্ভব নহ'য়।

৪. আমি পক্ষসমূহৰ বিজ্ঞ অধিবক্তাই আগবাঢ়োৱা বক্তব্য বিষদভাৱে শুনিলো আৰু নথিসমূহ পৰীক্ষা কৰি চালো।

৫. আমাৰ মতে , এই মোকৰ্দমাটোত উত্থাপিত হোৱা প্ৰাথমিক বিষয়টো হৈছে যে গুৰলাল সিঙৰ আঘাতৰ বিষয়ে বাখ্যা নকৰাটোৰ পৰা কি অনুমান কৰিব পাৰি। তেওঁক ১৯৯৮ চনৰ ৩ জুলাই গধুলী ৬:৪৫ বজাত প্ৰতিপক্ষৰ ১ নম্বৰ সাক্ষী ড° ৰাজিন্দৰ কুমাৰে C.H.C. , অসন্ধত প্ৰথমতে পৰীক্ষা কৰে আৰু নিম্নোক্ত আঘাতসমুহ দেখা পায়:-

"২ টা ওপৰৰ কৃতক অনুপস্থিত আৰু শ্লেমা গহ্বৰৰ পৰা সতেজ তেজ গোট খাইছে আৰু তলৰ পাৰি দাঁত স্থানচ্যুত হৈ তেজ ওলাই আছে।"

৬. তেওঁ আৰু কয় যে সেই আঘাতসমুহ ১৯৯৮ চনৰ ৪ অক্টোবৰৰ পুৱা ৯ বজাত জেনেৰেল হাস্পতাল কৰনালত ৰঞ্জন ৰশ্মিৰ দ্বাৰা পৰীক্ষা কৰা হয় আৰু দাতঁৰ পাৰি ভাঙি যোৱা দেখা যায় আৰু সকলোবোৰ আঘাতেই গুৰুতৰ প্ৰকৃতিৰ। গুৰলাল সিংৰ আঘাতসমুহ যে গুৰুতৰ আছিল, সেইয়া স্নাতকোত্তৰ চিকিৎসা বিদ্যা আৰু গবেষণা প্ৰতিস্থান ৰোহতকৰ ড ° মুনিষ মদনে প্ৰতিপক্ষৰ ৮ নম্বৰ সাক্ষী হিচাবে দিয়া সাক্ষ্যত দৃঢ়ভাবে প্ৰতিস্থিত হয়। যিয়েই নহওক ৰাজ্যৰ বিজ্ঞ অধিবক্তাই কথাটো উনুকিয়াই দিয়ে যে বিচাৰ আদালত ঘটনাস্থলীত গুৰলাল সিঙৰ উপস্থিতি সম্পৰ্কে অনিশ্চিত আছিল কিন্তু ইয়াৰ বিপৰীতে আমি পালো যে উচ্চ ন্যায়ালয়ে এই বিষয়ত এটা সকাৰাত্মক সিদ্ধান্ত (বিচাৰ আদালতৰ বিপৰীতমুখী) দিয়ে যে হত্যাকাণ্ডৰ স্থানত তেওঁ নিশ্চিতভাবে উপস্থিত আছিল। আমি সেয়েহে এই মতামত দিওঁ যে , গুৰলাল সিঙে কি ধৰণে এনে গভীৰ আঘাত পালে , সেই বিষয়ে গোচৰীয়া পক্ষই বৰ্ণনা দিয়াতো বাধ্যতামূলক আছিল। এইটো দেখা যায় যে গোচৰীয়া পক্ষৰ ১, ২ আৰু ৩ নম্বৰ সাক্ষীয়ে পদ্ধতিগতভাবে গুৰলাল সিঙক আঘাত দিয়া কথা অস্বীকাৰ কৰে আৰু গোচৰীয়া পক্ষৰ সাক্ষী যোগিন্দৰ সিঙে গুৰলাল সিঙৰ আবাসৰ কথাও অস্বীকাৰ কৰে যদিও তেওঁ তেওঁৰ নিজৰ অল্পকালীন নিৱাসৰ পৰা আধা কিলোমিটাৰ নিলগত থকা অল্পকালীন নিৱাসত থাকে। গোচৰীয়া পক্ষৰ ৩ নম্বৰ সাক্ষী নিশান সিঙে আনহাতে স্বীকাৰ কৰে যে গুৰলাল সিং এটা অল্পকালীন আৱাসত থাকে কিন্তু তেওঁ কোনোধৰণে আঘাত পোৱাতো অস্বীকাৰ কৰে। এইতো সত্য যে, ৰাজ্য চৰকাৰৰ বিজ্ঞ অধিবক্তাই কোৱাৰ দৰে যেতিয়া প্ৰতিপক্ষই প্ৰতিৰক্ষাৰ প্ৰাৰ্থনা কৰে তেতিয়া সকলোবোৰ আঘাতৰ বৰ্ণনা দিয়াতো জৰুৰী নহয় , কিন্তু ইয়াৰ বিপৰীতে গুৰুতৰ আঘাত সম্পৰ্কে বৰ্ণনা কৰাতো বাধ্যতামূলকত। এনে ধৰণৰ এটা পৰিস্থিতি নিৰূপণ কৰোতে এই আদালতে লক্ষ্মী সিং আৰু অন্য (উপৰোক্ত)ত কৈছিল যে:-

"এইটো আমি দেখিছো যে এটা হত্যাৰ ঘটনাত অভিযুক্ত ই ঘটনাৰ সময় বা কাজিয়া হোৱা সময়ত পোৱা আঘাতৰ বিষয়ে বাখ্যা আগনবঢ়োৱাটো এটা অত্যন্ত জৰুৰী পৰিস্থিতি যাৰ পৰা আদালতে নিম্নোক্ত সিদ্ধান্ত সমুহ লব পাৰে:

১) যে অভিযোগকাৰী পক্ষই ঘটনাৰ উৎপত্তি সম্পৰ্কে আৰু সৃষ্টি সম্পৰ্কে লুকুৱাইছে আৰু সেয়ে সঁচা বিবৰণ দিয়া নাই।

২) যে যি সাক্ষীয়ে অভিযুক্তৰ শৰীৰত উপস্থিত থকা আঘাতৰ বিষয়ে অস্বীকাৰ কৰে তেওঁ অতি জৰুৰী বিষয় এটাত মিছা মাতিছে আৰু সেয়ে তেওঁলোকৰ সাক্ষ্য বিশ্বাসযোগ্য নহয়।

৩) যে যেতিয়া তাত এটা প্ৰতিপক্ষৰ বিবৰণ আছে য 'ত অভিযুক্তৰ শৰীৰত থকা আঘাতৰ বিষয়ে বৰ্ণনা দিছে , তেনে ক্ষেত্ৰত গোচৰীয়া পক্ষৰ যুক্তিত সন্দেহ প্ৰদান কৰাটো সম্ভাব্য হৈ পৰে।

অভিযুক্তৰ শৰিৰত আঘাতত উপস্থিতি সম্বন্ধে গোচৰীয়া পক্ষই কোনো কথা উল্লেখ নকৰাটো তাৎপৰ্যপূৰ্ণ হৈ পৰে তেতিয়া যেতিয়া অভিযুক্তৰ প্ৰতি শত্ৰুতাৰ ভাব পোষণ কৰা সাক্ষীৰ দ্বাৰা অভিযুক্তৰ বিৰুদ্ধে সাক্ষ্য প্ৰদান কৰা হয় আৰু প্ৰতিপক্ষই এনে যুক্তি আগবঢ়াই যি গোচৰীয়া পক্ষৰ যুক্তিৰ সমানেই বিশ্বাসযোগ্য। এই মোকৰ্দমাটোত, যেতিয়া এইতো মত প্ৰকাশ কৰা হ 'ল যে আপীলকাৰী দশৰথ সিঙে গুৰুতৰ আঘাত পাইছিল যিটো গোচৰীয়া পক্ষই বৰ্ণনা কৰা নাছিল, তেতিয়া আদালতৰ কাৰণে গোচৰীয়া পক্ষৰ ১ নম্বৰ সাক্ষীৰ পৰা ৪ আৰু ৬ নম্বৰ সাক্ষীৰ সাক্ষ্যত বিশ্বাস কৰাটো কথিন হৈ পৰে , বিশেষকৈ যেতিয়া ইয়াৰ কিছুমান সাক্ষীয়ে মিছা মাতে যে তেওঁলোকে অভিযুক্তৰ শৰীৰত কোনো ধৰণৰ আঘাত দেখা নাই। সেয়েহে সত্ৰ ন্যায়াধীশ তথা উচ্চ ন্যায়ালয়ে গোচৰীয়া পক্ষৰ মোকৰ্দমাত থকা মহত্বপূৰ্ণ ত্ৰুটি আৰু দুৰ্বলতাসমুহ প্ৰয়োজনীয়ভাবে বিবেচনা কৰা দেখা ন 'গল। আমি নিশ্চয়কৈ লগে লগে উল্লেখ কৰিব লগিব যে এই আদালতে গুজৰাট ৰাজ্য বনাম বাই ফাটিমা ( উপৰোক্ত) মোকৰ্দমাত মত প্ৰকাশ কৰাৰ দৰে এনে বিভিন্ন মোকৰ্দমা থকিব পাৰে য 'ত গোচৰীয়া পক্ষই আঘাত সম্পৰ্কে বাখ্যা নিদিয়াটোত গোচৰীয়া পক্ষৰ মোকৰ্দমাত প্ৰভাৱ নেপেলায়। এই নীতি দেখাদেখিকৈ সেইবোৰ মোকৰ্দমাত প্ৰয়োগ হয় য 'ত অভিযুক্তই পোৱা আঘাত সামান্য আৰু অগভীৰ তথা য 'ত সাক্ষ্য অত্যন্ত স্পষ্ট আৰু যুক্তিযুক্ত হয় , অত্যন্ত স্বতন্ত্ৰ আৰু বিনা স্বাৰ্থজড়িত , অত্যন্ত সম্ভাব্য, অবিচল আৰু বিশ্বাসনীয় যে এইটোয়ে গোচৰীয়া পক্ষৰ ফালৰ পৰা আঘাতৰ বৰ্ণনা দিয়াটো বাদ পৰাটোৰ ফলাফলটোতকৈ অধিক প্ৰভাৱশালী। বৰ্তমানৰ গোচৰটো, যি কি নহ 'ওক, নিশ্চিতভাৱে এনেধৰণৰ মোকৰ্দমা নহ'য়, আৰু সেয়েহে উচ্চ ন্যায়ালয়ে, গোচৰীয়া পক্ষৰ মোকৰ্দমাৰ গম্ভীৰ দুৰ্বলতা আৰু অবিশ্বাসযোগ্যতা আওঁকান কৰি ভূল হৈছে।“

৭. আমি , সেয়েহে এই মতামত প্ৰদান কৰো যে যিহেতু কেনেকৈ গুৰলাল সিঙে আঘাত পালে সেই বিষয়ে গোচৰীয়া পক্ষই বৰ্ণনা আগবঢ়াব পৰা নাই আৰু ইয়াৰ বিপৰীতে তেওঁৰ উপস্থিতিতো অস্বীকাৰ কৰিছে সেয়ে উপৰোক্ত ৰায়টোত বৰ্ণনা কৰা পৰ্যবেক্ষণখিনি এই মোকৰ্দমাটোত প্ৰয়োগ হ'ব।

সমান্তৰালকৈ গোচৰীয়া পক্ষৰ যুক্তি যে গুৰলাল সিং এজন শাৰীৰিকভাবে অক্ষম লোক হিচাবে বন্দুক চালনা কৰিবলৈ অপাৰগ কথাটো গ্ৰাহ্য কৰিব নোৱাৰি। গুৰলাল সিঙে প্ৰতিপক্ষৰ ৬ নম্বৰ সাক্ষী হিচাবে নিজৰ বক্তব্যত ব্যক্ত কৰে যে তেওঁ এটা দুৰ্ঘটনাত তেওঁৰ বাওঁহাতখন হেৰুৱাই কিন্তু তেওঁৰ এখন কৃত্ৰিম হাত সংযোগ কৰা আছে যিখন তেওঁ দক্ষভাবে ব্যবহাৰ কৰিব পাৰে। তেওঁ দৃঢ়ভাবে এইটো নশ্বাৎ কৰে যে তেওঁ তেওঁৰ অক্ষমতাৰ বাবে সাৰ্থকভাবে বন্দুক চলাব নোৱাৰে। ইয়াৰোপৰি অভিজ্ঞতাই আমাক কয় যে এখন হাতৰ অভাৱে মানুহক বন্দুক ব্যাৱহাৰ কৰিব নোৱাৰাকৈ সম্পুৰ্ণ অক্ষম কৰি নিদিয়ে।

৮. ইয়াত অন্য এটা পৰিঘটনা আছে যিটোৱে কিছুপৰিমানে আপীলকাৰীক সহায় কৰিছে। গুৰলাল সিঙক , গুৰনাম সিং আৰু যোগিন্দৰ সিঙক তেওঁ দিয়া আঘাতৰ বিষয়ে দিয়া নিজৰ বক্তব্যৰ ফলাফল হিচাবে বিচাৰাধীন কৰা হয়। সেই গোচৰটোত বৰ্তমানৰ গোচৰীয়া পক্ষৰ সাক্ষী জোগিন্দৰ সিং, পালা ৰাম আৰু নিশান সিঙে চলি থকা গোচৰত তেওঁলোকৰ বক্তব্যৰ সৈতে সংগতি ৰাখি সাক্ষ্য দিছিল আৰু গুৰলাল সিং কোনো অপৰাধত জড়িত থকা কথা অস্বীকাৰ কৰিছিল। ফলস্বৰূপে, তেওঁলোকৰ স্থিতিৰ ওপৰত ভিত্তি কৰি গুৰলাল সিঙক গুৰনাম সিং আৰু জোগিন্দৰ সিঙৰ ওপৰত কৰা অভিযোগৰ ক্ষেত্ৰত বিচাৰ আদালতৰ দ্বাৰা দোষমুক্ত কৰা হৈছিল। ৰাজ্য চৰকাৰে গুৰলাল সিং খালাচ হোৱা বিষয়টো প্ৰত্যাহ্বান জনাই কোনো আপীল দাখিল নকৰিলে।

৯. ওপৰত আমি যি অভিনিৰ্ধাৰিত কৰিলো , সেই দৃষ্টিকোণৰ পৰা আমি শ্ৰী যুত চীমা আৰু শ্ৰী যুত সিনহাই উপস্থাপন কৰা অনুপস্থিতিৰ প্ৰশ্নটো আৰু অন্য বিষয়ৰ আলোচনা কৰাটো জৰুৰী বুলি নাভাবো।

১০. আমি সেইবাবে এই আপীলটো মঞ্জুৰ কৰিছো। আপীলকাৰীৰ দোষী-সাব্যস্তকৰণ ৰদ কৰিছো আৰু তেওঁলোকৰ মুক্তিৰ আদেশ প্ৰদান কৰিছো। আপীলকাৰী সকল জেইল হাজোতত থকা বুলি কোৱা হৈছে। তেওঁলোকক অনতিপলমে মুক্ত কৰি দিয়া হওঁক যদি অন্য কোনো মোকৰ্দমাত বিচৰা হোৱা নাই।

আপীল মঞ্জুৰ কৰা হ'ল।

---

---

অনুবাদক: ইন্দুপ্ৰভা কৃষ্ণাত্ৰেয়া

পৰীক্ষক: মৃণাল কুমাৰ ভট্টাচাৰ্য্য (জেষ্ঠ অনুবাদক, গৌহাটী উচ্চ ন্যায়ালয়)

Disclaimer- The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

“স্থানীয় ভাষা লৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে । ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ 'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰী কৰণ আৰু ৰূপায়ণৰ ক্ষে ত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ’ব।”